আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, FEBRUARY 06, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৪০ Guwahati, Assam ।। মূল্যঃ এটকা


## ধাৰ কৰা টকাৰে মুখ্যমন্ত্ৰীৰ হেলিকপ্টাৰ বিলাস! বিধানসভাত সৰৱ অখিল

# প্ৰতিদিনে অসমে লৈছে ৫৯ কোটিৰ ঋণ

**প্ৰতিদিনে** অসম চৰকাৰে লৈছে ৫৯ কোটিৰ ঋণ। হেলিকপ্টাৰত প্ৰতিদিনে ব্যয় ৬ লাখ টকা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আমোলৰ নতুন অভিলেখ। বিধানসভাত উন্মোচন চৰকাৰৰ প্ৰকৃত স্বৰূপ। অসমৰ ইতিহাসৰ আটাইতকৈ বেছি হেলিকপ্টাৰত উঠা মুখ্যমন্ত্ৰীজনেই হিমন্ত বিশ্ব শৰ্মা বুলি কটাক্ষ বিধায়ক অখিল গগৈৰ!

সবিশেষ ২ নং পৃষ্ঠাত চাওক





## মহানগৰীৰ বিলাসী হোটেল ৰেডিছন ব্লুত ৰহস্যজনক হত্যাকাণ্ড

গুৱাহাটী মহানগৰীৰ বিলাসী হোটেল ৰেডিছন ব্লুৰ কোঠাত বহিঃৰাজ্যৰ এগৰাকী ব্যৱসায়ীৰ নৃশংস হত্যাকাণ্ডই জোকাৰি গৈছে সমগ্ৰ দেশ।

বাতৰি ভিতৰৰ পৃষ্ঠাত চাওক

## শৰদ পাৱাৰে নাপালে! এনচিপিত 'পাৱাৰ' অজিতৰ

**নিজৰ খুৰাকৰ** বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি নিৰ্বাচন আয়োগৰ দৃষ্টিত অৱশেষত জয়ী সাব্যস্ত হ'ল অজিত পাৱাৰ। বিগত ৬ মাহ ধৰি চলি থকা এক বিবাদৰ ৰায় দি নিৰ্বাচন আয়োগে অজিত পাৱাৰৰ ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ দলক প্ৰকৃত হিচাপে ঘোষণা কৰে।

সবিশেষ ৪ নং পৃষ্ঠাত চাওক

## মধ্যপ্ৰদেশৰ হৰদাত ফটকা ফেক্টৰীত বিস্ফোৰণ, ১১ জনৰ মৃত্যু

মঙলবাৰে পুৱা এক ভয়ংকৰ বিস্ফোৰণত কঁপি উঠিল মধ্যপ্ৰদেশৰ হৰদা। পুৱা মধ্যপ্ৰদেশৰ হৰদাৰ মগাৰ্ডা পথৰ বৈৰাগড় ৰেহতাৰ ফটকা কাৰখানাত সংঘটিত ভয়ংকৰ বিস্ফোৰণ আৰু অগ্নিকাণ্ডই তীব্ৰ আতংকৰ সৃষ্টি কৰে। কেইবাটাও বিস্ফোৰণত সমগ্ৰ অঞ্চলটোৱেই কঁপি উঠে। সবিশেষ ভিতৰৰ পৃষ্ঠাত



মধ্যপ্ৰদেশৰ ফটকা ফেক্টৰীত বিস্ফোৰণৰ পিছৰ দৃশ্য

# প্ৰতিদিনে অসমে লৈছে ৫৯ কোটিৰ ঋণ

## ধাৰত পোত গৈছে ৰাজ্য

**ই-সংবাদ, ৬ ফেব্ৰুৱাৰীঃ** আকাশীযানত উৰি-ফুৰিবলৈ ভাল পায় ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। বিয়া খাবলৈও চৰকাৰৰ ঘৰৰ টকা শৰাধ কৰি আকাশীযানত যায় মুখ্যমন্ত্ৰী ডঃ হিমন্তই। এই বিষয়টোক লৈ ৰাজ্যত তীব্ৰ চৰ্চা অব্যাহত থকাৰ সময়তে এইবাৰ বিধানসভাৰ বাজেট অধিবেশনত চৰ্চা হ'ল মুখ্যমন্ত্ৰীয়ে অসমক কেনেদৰে ধৰুৱা কৰিছে তাৰ তথ্য। প্ৰতিটো পষেকতা শ-শ কোটি ঋণ লৈ মুখ্যমন্ত্ৰীয়ে ভ্ৰমণ বিলাস কৰাৰ অভিযোগ উত্থাপনৰ মাজতে আজি বিধানসভাত অখিল গগৈৰ প্ৰশ্নৰ উত্তৰত এই কথাৰ যেন প্ৰমাণ পোৱা গ'ল। শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ প্ৰশ্নৰ উত্তৰ দি ৰাজ্য চৰকাৰৰ নিজৰে তথৈবচ অৱস্থা ওলাই পৰিছে। বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত দাখিল কৰা তথ্যত বিজেপি চৰকাৰৰ আমোলত অসমে বিভিন্ন উৎসৰ পৰা প্ৰতিদিনে প্ৰায় ৪৩ কোটিকৈ ঋণ লৈ অহাৰ তথ্য ওলাই পৰে। বিজেপিৰ মুঠ ৭ বছৰীয়া কাৰ্যকালৰ ভিতৰত কেৱল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আমোলত প্ৰতিদিনে লোৱা ঋণৰ পৰিমান হৈছে ৫৯ কোটি টকা৷ বিধানসভাত দাখিল কৰা তথ্য অনুসৰি, ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা আৰম্ভ কৰি ২০২২-২৩ বিত্তীয় বৰ্ষলৈ অসম চৰকাৰে লোৱা ঋণৰ মুঠ পৰিমাণ হ'ল ১,০৯,০৭১.২৮ কোটি টকা। ২০১৬-১৭ বৰ্ষত ৫৬৪৯.৪৫ কোটি , ২০১৭-১৮ বিত্তীয় বৰ্ষত ১০৪৭৬.২ কোটি , ২০১৮-১৯ বৰ্ষত ১৪০০৩.৮৮ কোটি, ২০১৯-২০ বৰ্ষত ১৬৬৩৪.৫৩ কোটি, ২০২০-২১ বৰ্ষত ১৯২৫৬.৫৯ কোটি আৰু ২০২২-২৩ বৰ্ষত ২৫,৯০২.১৬ কোটি টকাৰ ঋণ অসম চৰকাৰে গ্ৰহন কৰিছে। ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা ২০২৩ চনৰ ৩১ মাৰ্চলৈ মুঠ দিন হ'ল ২,৫৫১ দিন। গতিকে প্ৰতিদিনৰ হিচাপত ধৰিলে দিনে গড়ে ৪২.৭২ কোটি টকাৰ ঋণ লৈছে অসমৰ বিজেপি চৰকাৰখনে । তাৰ মাজতো ড: হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব লোৱাৰ পাছৰে পৰা অসমৰ ঋণৰ পৰিমাণ আকাশলংঘী হাৰত বৃদ্ধি পাবলৈ ধৰে। ড: শৰ্মাৰ কাৰ্যকালৰ দুটা বছৰত অৰ্থাৎ ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষত অসম চৰকাৰে লৈছে ৪৩,০৫০.৫৭ কোটি টকাৰ ঋণ৷ এই দুটা বছৰত অৰ্থাৎ ৭৩০ দিনত অসম চৰকাৰে গড়ে ৫৮.৯৭ কোটি টকাৰ ঋণ গ্ৰহণ কৰিছে ।যিয়ে ৰাজ্যখনৰ ভয়ংকৰ বিত্ত সংকট অতি স্পষ্ট ৰূপত উদঙাই দিয়ে ।ৰাজ্যৰ অৰ্থনীতি ঋণত ডুবি থাকিলেও হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনে আকাশীযানৰ নামত কৰা ব্যয়ৰ হিচাপ শুনিলে ৰাজ্যবাসীৰ চকু কপালত উঠিব। বিধায়ক অখিল গগৈৰ আন এক প্ৰশ্নৰ উত্তৰত সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাসে দাখিল কৰা তথ্য অনুসৰি, ২০২১ চনৰ ১০ মে'ৰ পৰা ২০২৪ চনৰ ৩০ জানুৱাৰীলৈ অসম চৰকাৰে মুখ্যমন্ত্ৰীকে ধৰি অন্যান্য ভি আই পিৰ হেলিকপ্তাৰ বা চাৰ্টাৰ্ড বিমানৰ নামত ব্যয় কৰিছে ৫৮.২৩ কোটি টকা৷ অৰ্থাৎ এই ৯৯৫ টা দিনত অসম চৰকাৰে হেলিকপ্তাৰ বা চাৰ্টাৰ্ড বিমানৰ নামত প্ৰতিদিনে ব্যয় কৰিছে ৫.৮৬ লাখকৈ টকা। একেটা উত্তৰত মন্ত্ৰী ৰঞ্জিত দাসে সদৰী কৰে যে মুখ্যমন্ত্ৰীয়ে চৰকাৰী খৰচত ব্যক্তিগত, চৰকাৰী কামৰ লগত সম্পৰ্ক নথকা আৰু তেওঁ প্ৰতিনিধিত্ব কৰা দলটোৰ নিৰ্বাচনী প্ৰচাৰত উৰাজাহাজ ব্যৱহাৰ কৰা নাই। কিন্তু অসম চৰকাৰে বিধানসভাত দাখিল কৰা এই তথ্য আৰু দ্য ক্ৰুছকাৰেন্টে আৰ টি আই যোগে লাভ কৰা তথ্যৰ মাজত ব্যাপক প্ৰভেদ আছে। মুখ্যমন্ত্ৰীয়ে ব্যক্তিগত বা দলীয় কামত চৰকাৰী উৰাজাহাজ ব্যৱহাৰ নকৰা বুলি কোৱাৰ বিপৰীতে দ্য ক্ৰুছকাৰেন্টৰ এক অনুসন্ধানত স্পষ্ট হৈ পৰিছে যে মুখ্যমন্ত্ৰী ড: হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ, দলীয় কাম, আনকি বিয়া খাবলৈকো চৰকাৰী উৰাজাহাজ বা হেলিকপ্তাৰ কৰিছে। আৰ টি আই তথ্য অনুসৰি, মুখ্যমন্ত্ৰীগৰাকীয়ে ২০২১ চনৰ ১৭ অক্টোবৰত তামুলপুৰত , ১৯ অক্টোবৰত গোঁসাইগাঁৱত, ২০২২ চনৰ ৭ মাৰ্চত মাজুলীত, ২০২২ চনৰ ২০ নৱেম্বৰত নৱেম্বৰত দিল্লীত আৰু ২০২৩ চনৰ ৩০ জানুৱাৰীত ত্ৰিপুৰালৈ চৰকাৰী হেলিকপ্তাৰ লৈ গৈ নিৰ্বাচনে প্ৰচাৰত অংশ লৈছিল ।মুখ্যমন্ত্ৰীগৰাকীয়ে কমেও ৭ বাৰ দলীয় সভাত চৰকাৰী বিমানেৰে গৈ উপস্থিত হোৱাৰ তথ্যও ইতিমধ্যে উন্মোচন হৈছে। কেৱল সেয়াই নহয়, বিয়া সবাহ খাবলৈ যোৱাৰ নামতো মুখ্যমন্ত্ৰী ড: হিমন্ত বিশ্ব শৰ্মাই কমেও ৫ বাৰ চৰকাৰী বিমান বা হেলিকপ্তাৰ ব্যৱহাৰ কৰাৰ তথ্য পোহৰলৈ আহিছে।

# মহানগৰীৰ বিলাসী হোটেল ‘ৰেডিশ্যন ব্লু’ত পুণেৰ যুৱকক হত্যা



- পশ্চিমবংগৰ যুৱক-যুৱতীক গ্ৰেপ্তাৰ
- গোপন ভিডিঅ’ৰ বাবেই হত্যা কৰা বুলি জেৰাত দাবী
- অধিক তদন্ত অব্যাহত

**ই-সংবাদ, গুৱাহাটী, ৬ ফেব্ৰুৱাৰীঃ** গুৱাহাটী মহানগৰীৰ এখন বিলাসী হোটেলৰ কোঠাত বহিঃৰাজ্যৰ এগৰাকী ব্যৱসায়ীৰ নৃশংস হত্যাকাণ্ডই জোকাৰি গৈছে সমগ্ৰ দেশ। সোমবাৰে বিয়লি পঞ্চতাৰকাযুক্ত হোটেলৰ কোঠাত সংঘটিত এই হত্যাকাণ্ডৰ পিছতে মহানগৰ আৰক্ষীয়ে ক্ষীপ্ৰতাৰে অভিযান চলাই গ্ৰেপ্তাৰ কৰিছে হত্যাকাৰী এহাল-যুৱতীক। ইয়াৰ পিছতে এক সংবাদমেল সম্বোধন কৰি হত্যাকাণ্ডৰ সবিশেষ প্ৰকাশ কৰে মহানগৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই। দৰাচলতে সোমবাৰে বিয়লিৰ ভাগত গুৱাহাটীৰ ৰেডিছন ব্লু হোটেলৰ এটা বিলাসী কোঠাত উদ্ধাৰ হৈছিল পুনেৰ ব্যৱসায়ী সন্দীপ সুৰেশ কাম্বলেৰ ক্ষত-বিক্ষত মৃতদেহ। ৰেডিছন ব্লু হোটেলৰ নৱম মহলাৰ ৯২২ নম্বৰ কোঠাত ৪৫ বৰ্ষীয় ব্যৱসায়জনৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছতে সৃষ্টি হয় তীব্ৰ চাঞ্চল্যৰ। ইফালে এহাল যুৱক-যুৱতীক বৰঝাৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত সন্দেহজনক অৱস্থাত চিআইএফে আটক কৰি আজাৰা আৰক্ষীক চমজাই দিয়াৰ পিছতে আৰক্ষীয়ে ৰেডিছন ব্লু হোটেলৰ এই হত্যাকাণ্ড আৰু আটকাধীন যুৱক-যুৱতীহালৰ মাজত যোগসূত্ৰ বিচাৰি পায়। পিছত আজাৰা আৰক্ষীয়ে জালুকবাৰী আৰক্ষীৰ হাতত গতাই দিয়া যুৱক-যুৱতীহালক চলোৱা জেৰাৰ সময়তে পোহৰলৈ আহে এই হত্যাকাণ্ডৰ সমগ্ৰ ৰহস্য। ধৃত যুৱক-যুৱতীহাল হৈছে পশ্চিম বংগৰ নিৱাসী অঞ্জলি শ্ব’ আৰু বিকাশ শ্ব’। মহানগৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই সংবাদমেলত প্ৰকাশ কৰা মতে, অঞ্জলি আৰু বিকাশ শ্ব’য়েই মিলি পৰিকল্পিতভাৱে হত্যা কৰিছিল ব্যৱসায়ী সন্দীপ সুৰেশ কাম্বলে নামৰ পুনেৰ ব্যৱসায়ীজনক। জানিব পৰা মতে, আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বিকাশ শ্ব’ হৈছে অঞ্জলিৰ বৰ্তমানৰ প্ৰেমিক আৰু মৃত সন্দীপ সুৰেশ কাম্বলে আছিল ২৫ বৰ্ষীয় যুৱতীগৰাকীৰ প্ৰাক্তন প্ৰেমিক। এবাৰ কলকাতাৰ বিমান বন্দৰত সন্দীপ আৰু অঞ্জলিৰ মাজত পৰিচয় হৈছিল। আৰু তাৰ পিছতে দুয়োৰে মাজত বৃদ্ধি পাইছিল ঘনিষ্ঠতা। পৰৱৰ্তী সময়ত দুয়োজনে পুনে, কলকাতা আৰু গুৱাহাটীৰ হোটেলত একেলগে নৈশ যাপনো কৰিছিল। আৰক্ষী আয়ুক্ত দিগন্ত বৰাই কয় যে অঞ্জলি শ্বয়ে ইতিমধ্যে এই হত্যাকাণ্ডৰ কথা স্বীকাৰ কৰিছে। প্ৰেমিক বিকাশৰ সৈতে মিলি সন্দীপক পৰিকল্পিতভাৱে গুৱাহাটীলৈ মাতি আনিছিল অঞ্জলিয়ে। ৰেডিছন ব্লু হোটেলত সন্দীপে নৱম মহলাৰ ৯২২ নং কোঠাত থকাৰ বিপৰীতে বিকাশে বাহৰ পাতিছিল একেখন হোটেলৰ দশম মহলাৰ ১০২২ নং কোঠাত। অঞ্জলি শ্ব’য়ে আৰক্ষীৰ আগত দিয়া স্বীকাৰোক্তিত কয় যে ১৩ বছৰীয়া এটি সন্তানৰ পুত্ৰ সন্দীপ সুৰেশ কাম্বলেয়ে তেওঁলোকৰ নৈশ যাপনৰ সময়ৰ বহু গোপন দৃশ্য তুলি ৰাখিছিল। সন্দীপে অঞ্জলিক বিবাহৰ প্ৰস্তাৱ দিছিল যদিও যুৱতীগৰাকীয়ে সেয়া অস্বীকাৰ কৰাৰ পিছতে সেই গোপন ফটো-ভিডিঅ’ৰে ব্লেকমেইল কৰিবলৈ আৰম্ভ কৰিছিল ব্যৱসায়ীজনে। এনে কাৰণতে অঞ্জলি শ্বয়ে প্ৰেমিকৰ সৈতে মিলি সন্দীপক হত্যাৰ ব্লু প্ৰিণ্ট ৰচনা কৰিছিল। সেই পৰিকল্পনা অনুসৰিয়েই গুৱাহাটীলৈ মাতি অনা হৈছিল সন্দীপক। একেদৰে পৃথক বিমানেৰে গুৱাহাটীত উপস্থিত হৈছিল অঞ্জলি আৰু বিকাশো। পৰিকল্পনা অনুসৰিয়েই সন্দীপক অচেতন কৰিবলৈ লগত ভাং লৈ আহিছিল বিকাশে। ইয়াৰ পিছতে সন্দীপৰ ৰেডিছন ব্লু হোটেলৰ ৯২২ নম্বৰ কোঠাত তেওঁক ভাং খুৱাই অচেতন কৰাৰ পিছত বিকাশ আৰু অঞ্জলিয়ে মিলি ব্যৱসায়ীজনক হত্যা কৰে। বিয়লি ৩ বজাত এই হত্যাকাণ্ড সংঘটিত কৰি পূৰ্বেই বুক কৰি ৰখা বিমান টিকটেৰে দুয়োজনে গুৱাহাটী এৰি পলায়নৰ যো-জা চলায় যদিও গুৱাহাটী এৰাৰ পূৰ্বেই আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হ’বলগীয়া হয়।

# শৰদ পাৱাৰে নাপালে! এনচিপিত ‘পাৱাৰ’ অজিতৰ

## উদ্ধৱ থাকৰেৰ দশাই হ’ল শৰদ পাৱাৰৰ

**মুম্বাই, ৬ ফেব্ৰুৱাৰীঃ** নিজৰ খুৰাকৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি নিৰ্বাচন আয়োগৰ দৃষ্টিত অৱশেষত জয়ী সাব্যস্ত হ’ল অজিত পাৱাৰ। বিগত ৬ মাহ ধৰি চলি থকা এক বিবাদৰ ৰায় দি নিৰ্বাচন আয়োগে অজিত পাৱাৰৰ ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ দলক প্ৰকৃত হিচাপে ঘোষণা কৰে। নিৰ্বাচন আয়োগে কয় যে সকলো প্ৰমাণৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে যে অজিত পাৱাৰ আৰু তেওঁৰ লগত থকা বিধায়কসকলহে প্ৰকৃত ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ দল। নিৰ্বাচন আয়োগে কয় যে এন চি পিৰ নাম আৰু নিৰ্বাচনী প্ৰতীক ব্যৱহাৰ কৰাৰ অধিকাৰ অজিত পাৱাৰ ফৈদৰ আছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে উদ্ধৱ থাকৰেৰ পৰা পৃথক হোৱা একনাথ শিণ্ডে ফৈদক প্ৰকৃত শিৱসেনা বুলি ঘোষণা কৰিছিল। ইয়াৰ উপৰিও নিৰ্বাচন আয়োগে উদ্ধৱ থাকৰে ফৈদক নতুন নাম (শিৱসেনা ইউ বি টি) আৰু নিৰ্বাচনী প্ৰতীক (জ্বলন্ত মাশাল) আবণ্টন দিছিল। আনহাতে শৰদ পাৱাৰ এনচিপি বনাম অজিত পাৱাৰ এনচিপিক লৈ বিগত ৬ মাহতকৈ অধিক সময় ধৰি অব্যাহত থকা বিবাদত দহটাতকৈও অধিক শুনানি গ্ৰহণ কৰি অৱশেষত মঙলবাৰে চূড়ান্ত ঘোষণা প্ৰদান কৰে নিৰ্বাচন আয়োগে। আয়োগে অজিত পাৱাৰ ফৈদৰ সপক্ষে সিদ্ধান্ত গ্ৰহণ কৰি আদেশত কয় যে অহা ৭ ফেব্ৰুৱাৰীৰ বিয়লি ৩ বজাৰ ভিতৰত শৰদ পাৱাৰ ফৈদৰ নতুন নাম আৰু নিৰ্বাচনী প্ৰতীক আবণ্টন দিয়া হ’ব। প্ৰণিধানযোগ্য যে, ২০২৩ চনৰ জুলাই মাহত অজিত পাৱাৰে খুৰাক শৰদ পাৱাৰৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰিছিল। তেওঁ এন চি পিৰ ৪০ গৰাকী বিধায়কৰ সৈতে মহাৰাষ্ট্ৰৰ একনাথ শিণ্ডে চৰকাৰত যোগদান কৰে। ইয়াৰ পিছত তেওঁক মিত্ৰজোঁটৰ চৰকাৰৰ উপ মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হয়। শৰদ পাৱাৰৰ পৰা পৃথক হৈ গঠন কৰা এনচিপিৰ নিজকে সভাপতি পদতো অধিষ্ঠিত কৰে অজিত পাৱাৰে। তেওঁৰ ফৈদৰ সংখ্যাগৰিষ্ঠতা থকা বুলি দাবী কৰি দলৰ নাম আৰু নিৰ্বাচনী প্ৰতীকৰ ওপৰত অধিকাৰ বিচাৰি অজিত পাৱাৰে নিৰ্বাচন আয়োগৰ ওচৰত আবেদন দাখিল কৰিছিল। আনহাতে শৰদ পাৱাৰে দল এৰি যোৱা ৯ জন মন্ত্ৰীকে ধৰি ৩১ জন বিধায়কক অযোগ্য ঘোষণা কৰাৰ দাবী জনাইছিল। ইফালে, ৰাজ্যসভাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে এই সিদ্ধান্ত লৈছে বুলি ধাৰণা কৰা হৈছে। সমগ্ৰ দেশৰ ৮১ জন এন চি পি দলৰ বিধায়ক আৰু সাংসদৰ ভিতৰত ৫৭ জন অজিত পাৱাৰ ফৈদৰ সৈতে আছে। আনহাতে শৰদ পাৱাৰ ফৈদত অন্তৰ্ভুক্ত হৈছে ২৮ জন সদস্য। ৬ জন সদস্যই দুয়োটা গোটৰ সমৰ্থনত শপতনামা দিছিল। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি শৰদ পাৱাৰ ফৈদে সময়মতে সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব নোৱাৰাৰ বাবেই এই সিদ্ধান্ত অজিত পাৱাৰৰ পক্ষত প্ৰদান কৰা হয়। ৰাজ্যসভাৰ ৬খন আসনৰ নিৰ্বাচনৰ সময়সীমা মনত ৰাখি শৰদ পাৱাৰ ফৈদক নিৰ্বাচন পৰিচালনাৰ নিয়মাৱলী ১৯৬১ৰ ৩৯এএ নিয়ম মানি চলিবলৈ বিশেষ ৰেহাই দিয়া হৈছে। ৭ ফেব্ৰুৱাৰীৰ সন্ধিয়াৰ ভিতৰত নতুন দল গঠনৰ বাবে তিনিটা নাম দিবলৈ নিৰ্দেশ দিয়া হৈছে শৰদ পাৱাৰ ফৈদক। এই সময়ৰ ভিতৰত নাম দাখিল নকৰিলে আয়োগে নিজৰ ফালৰ পৰা শৰদ পাৱাৰ ফৈদক নাম আৰু নিৰ্বাচনী প্ৰতীক আবণ্টন দিব বুলি ইতিমধ্যে স্পষ্ট কৰি দিছে।

# দুলীয়াজানত দুৰ্ঘটনাত এজনৰ মৃত্যু

**ই-সংবাদ, দুলীয়াজান, ৬ ফেব্ৰুৱাৰীঃ** দুলীয়াজানৰ টিপলিং তিনিআলিৰ সমীপত যোৱানিশা সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, অইল ইণ্ডিয়াৰ পাইপ লাইন বিভাগত ঠিকাভিত্তিত কৰ্মৰত জিণ্টু বড়া (৪১) নামৰ কৰ্মচাৰীজনে কৰ্তব্য সম্পাদন কৰি ঘৰলৈ উভতাৰ পথত নিশা প্ৰায় ১২ বজাত এছ ০৬ এএ ০৫৮৩ নম্বৰৰ হিৰ’হোণ্ডা ছুপাৰ স্প্লেণ্ডাৰ বাহনৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ বাসগৃহৰ সমীপতে নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰে। স্থানীয় লোকৰ খবৰৰ ভিত্তিত দুলীয়াজান আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ গুৰুতৰভাৱে আহত জিণ্টু বড়াক চিকিৎসালয়লৈ নিয়ে যদিও অইল ইণ্ডিয়া চিকিৎসালয়তে লোকজনৰ মৃত্যু হয়। আৰক্ষীয়ে আজি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। নিহত লোকজনৰ ঘৰ নাহৰকটীয়াৰ ৰাঙলীপথাৰত বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

# অত্যাধুনিক ৰেল ষ্টেশ্যনলৈ পৰিণত হ’ব ওদালগুৰি ৰেল ষ্টেশ্যন

## যান-জঁটৰ সমস্যাৰ পৰা পৰিত্ৰাণ বিচাৰি উৰণীয়া সেঁতু নিৰ্মাণৰো আহ্বান




**ই-সংবাদ, ওদালগুৰি, ৬ ফেব্ৰুৱাৰীঃ** ওদালগুৰিৰ ৰেল যাত্ৰীসকলৰ বাবে আহিছে সুখবৰ। নতুন ৰূপত অত্যাধুনিক ৰেল ষ্টেচন লৈ পৰিণত হব বৰ্তমানৰ ওদালগুৰি ৰেল ষ্টেচনটো। প্ৰায় ১৪.৩১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হবলগীয়া ৰেল ষ্টেচনটোৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। উল্লেখ্য যে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত উত্তৰ-পূবৰ ৬০ টা ষ্টেচন অত্যাধুনিক সুবিধা/সুবিধাৰে পুনৰ উন্নয়নৰ লক্ষ্য হাতত লোৱা হৈছে। নিৰ্বাচিত ৰেল ষ্টেচনসমূহৰ ভিতৰত অসমৰ ওদালগুৰি ৰেল ষ্টেচনে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ১৪.৩১ কোটি টকা ব্যয়েৰে উন্নতমানৰ ৰেল ষ্টেচন লৈ পৰিণত হ’ব। এই ষ্টেচনৰ পুনৰ নিৰ্মাণৰ ফলত ওচৰৰ অঞ্চলসমূহৰ ৰেলৱে ব্যৱহাৰকাৰীসকলক আধুনিক অত্যাধুনিক সুবিধা প্ৰদান কৰা হ’ব বুলি ৰেল বিভাগে আশা প্ৰকাশ কৰিছে। অসমৰ ওদালগুৰি ৰেল ষ্টেচনটো হৈছে উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ ৰঙিয়া সংমণ্ডলৰ অন্তৰ্গত ৰঙিয়া-মুৰ্কংচেলেক অংশৰ এটা গুৰুত্বপূৰ্ণ ষ্টেচন। বৰ্তমানৰ ৰেল ষ্টেচন ভৱনটো যাত্ৰীসকলৰ সুবিধাৰ্থে অৱসৰ লোৱা কক্ষ আৰু শেহতীয়া সুবিধাসমূহৰ সৈতে অপেক্ষা কক্ষৰ দৰে সুবিধাৰে উন্নত মানৰ সুবিধাৰে সম্প্ৰসাৰিত কৰা হ’ব। দিব্যাংগ অনুকূল ৰেম্প আৰু অন্যান্য আধুনিক সুবিধা যেনে দুখন লিফ্ট আৰু ৫ মিটাৰ বহল ফুট অভাৰ ব্ৰীজৰ সৈতে শৌচাগাৰৰ সুবিধাও প্ৰদান কৰা হ’ব। পুৰুষ আৰু মহিলা যাত্ৰীৰ বাবে পৃথকে পৃথকে নিৰ্মাণ কৰা হ’ব নতুন শৌচালয়। লগতে থাকিব অত্যাধুনিক বাহন ৰখোৱা স্থানৰ লগতে সৌন্দৰ্য বৰ্দ্ধিত বাবে ফুলনি। সকলো প্লেটফৰ্মতে যাত্ৰীসকলৰ আশ্ৰয়ৰ ব্যৱস্থা কৰা হ’ব আৰু যাত্ৰীসকলৰ বাবে সহজে চলাচল কৰিব পৰাকৈ মাৰ্বলৰ শিল, টাইলছ আদিৰে নতুনত্ব কৰা হ’ব। যাত্ৰীসকলৰ প্ৰৱেশৰ প্ৰস্থান পথ সুন্দৰকৈ পৃথকে নিৰ্মাণ কৰা হ’ব, যাৰ ফলত যাত্ৰীসকলৰ বাবে উন্নত সুলভতা প্ৰদান কৰা হ’ব। উপৰোক্ত সকলো কামৰ বাবে নিবিদা প্ৰদান কৰাৰ সমান্তৰালভাৱে আৰম্ভ হৈছে ভৱনৰ নিৰ্মাণ কাৰ্য। ইতিমধ্যে নতুন ষ্টেচন ভৱনৰ ভেটিৰ কামৰ সমান্তৰালভাৱে যাত্ৰীসকলৰ অন্যান্য সুবিধা যেনে কোচ গাইডেন্স ব’ৰ্ড স্থাপন, ৰে’লৰ তথ্য প্ৰদৰ্শন ব্যৱস্থা, প্লেটফৰ্ম সম্প্ৰসাৰণ, দিব্যাংজানৰ বাবে সহজলভ্য পানীৰ বুথৰ ব্যৱস্থা আদিৰ কামো চলি আছে। এই ষ্টেচনটোৰ আধুনিকৰণৰ ফলত চহৰখনৰ লগতে সমীপৱৰ্তী অঞ্চলৰ যাত্ৰীসকলৰ বাবে নতুন কৰ্মসংস্থাপন, ব্যৱসায়িক সুযোগৰ নতুন পথৰ সৃষ্টি হোৱাৰ লগতে ভ্ৰমণৰ ক্ষেত্ৰত পূৰ্বৰ তুলনাত সহজতা লাভ কৰিব বুলি ৰেল বিভাগে আশা প্ৰকাশ কৰিছে। বিষয়টো সন্দৰ্ভত স্থানীয় ৰাইজে আদৰণি জনাই কয় যে ওদালগুৰি সদৰৰ ৰেল ষ্টেচনটো উন্নতমানৰ অত্যাধুনিক হোৱাৰ খবৰে আমাক আনন্দিত কৰিছে। কিন্তু চহৰখনৰ মাজত থকা ৰেলৱে ক্ৰচিঙৰ বাবে চহৰখনৰ বাসিন্দাসকলে বছৰ বছৰ ধৰি যানজটৰ সমস্যাত ভুগি আছে। গতিকে ৰেল ষ্টেচনটো অত্যাধুনিক কৰাৰ সমান্তৰালভাৱে চহৰখনৰ মাজমজিয়াত যানজট নিয়ন্ত্ৰণৰ বাবে এখন উৰণীয়া সেতুঁ স্থাপন কৰাৰ বাবে সকলো পক্ষকে ওদালগুৰিবাসীয়ে দাবী জনাইছে।

# মমতা বেনাৰ্জী এতিয়াও ইণ্ডিয়া মিত্ৰজোঁটৰ গুৰুত্বপূৰ্ণ অংশঃ ৰাহুল গান্ধী

**ই-সংবাদ, ৬ ফেব্ৰুৱাৰীঃ** মমতা বেনাৰ্জী এতিয়াও ইণ্ডিয়া মিত্ৰজোঁটৰ এক গুৰুত্বপূৰ্ণ অংশ। মমতা বেনাৰ্জীৰ তৃণমূল কংগ্ৰেছ আৰু ইণ্ডিয়া মিত্ৰজোঁটৰ মাজৰ আসনক লৈ আৰম্ভ হোৱা সংঘাতক লৈ চৰ্চা অব্যাহত থকাৰ সময়তে ঝাৰখণ্ডৰ পৰা পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীৰ দল এতিয়া ইণ্ডিয়া মিত্ৰজোঁটৰ অংশ বুলি মন্তব্য কৰে ৰাহুল গান্ধীয়ে। ভাৰত জোড়ো ন্যায় যাত্ৰাৰে বৰ্তমান ঝাৰখণ্ডত থকা ৰাহুল গান্ধীয়ে গুমলাত সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপ কৰি কয় যে বিৰোধী ঐক্য ইণ্ডিয়া মিত্ৰজোঁটৰ অন্য দলৰ সৈতে মমতা বেনাৰ্জীও এই ঐক্যৰে এক গুৰুত্বপূৰ্ণ অংশ। ৰাহুল গান্ধীয়ে কয় যে মিত্ৰজোঁটৰ সদস্যসকলৰ মাজত আসন ভাগ-বতৰা সন্দৰ্ভত আলোচনা চলি আছে আৰু 'এয়া স্বাভাৱিক'। উল্লেখ্য যে, যোৱা সপ্তাহত পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে তেওঁৰ দলৰ তৃণমূল কংগ্ৰেছে পশ্চিম বংগত অকলেই লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব ঘোষণা কৰিছিল। মমতাই কংগ্ৰেছে মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ সৈতে হাত মিলাই নিৰ্বাচনত বিজেপিক সহায় কৰাৰ অভিযোগ উত্থাপন কৰিছিল। মমতা বেনাৰ্জীৰ এনে মন্তব্যৰ পিছতে নিৰ্বাচনৰ পূৰ্বেই ইণ্ডিয়া মিত্ৰজোঁট ভংগ হ'ব বুলি জল্পনা-কল্পনাৰ সৃষ্টি কৰিছিল। কিন্তু সেই সময়তো ৰাহুল গান্ধীয়ে অসমত ন্যায় যাত্ৰাৰ সময়ত সম্বোধন কৰা সংবাদ মেলত তৃণমূল কংগ্ৰেছৰ ইণ্ডিয়া মিত্ৰজোঁটৰ অংশ বুলি দাবী কৰিছিল। ইফালে ঝাৰখণ্ডত আজি ৰাহুল গান্ধীয়ে সংবাদ মেলত বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ ইণ্ডিয়া জোঁট সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। গান্ধীয়ে কয়, 'তেওঁ ইণ্ডিয়া জোঁট ত্যাগ কৰাৰ কাৰণ কি হ'ব পাৰে তাৰ কাৰণ আপুনি অনুমান কৰিব পাৰিব। আমি ইণ্ডিয়া এলায়েন্সৰ অধীনত বিহাৰত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম।" উল্লেখ্য যে, মণিপুৰৰ পৰা আৰম্ভ ন্যায় যাত্ৰাই অসম, বিহাৰ আদি ৰাজ্যৰ মাজেৰে পাৰ হৈ ইতিমধ্যে ঝাৰখণ্ডত প্ৰৱেশ কৰিছে। মঙলবাৰে পুৱা কংগ্ৰেছ নেতাগৰাকীয়ে ৰাজ্যখনৰ খুঁটি জিলাত বীৰছা মুণ্ডাক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ পিছত শ্বহীদ ভগত সিং চ'কৰ পৰা পুনৰ যাত্ৰা আৰম্ভ কৰে।

# মধ্যপ্ৰদেশৰ ফটকা ফেক্টৰীত সংঘটিত বিস্ফোৰণত ১১ জনৰ মৃত্যু

## হৰদাত ভূপাল ট্ৰেজেডী সদৃশ ঘটনা

**ই-সংবাদ, ৬ ফেব্ৰুৱাৰীঃ** মঙলবাৰে পুৱা এক ভয়ংকৰ বিস্ফোৰণত কঁপি উঠিল মধ্যপ্ৰদেশৰ হৰদা। পুৱা মধ্যপ্ৰদেশৰ হৰদাৰ মগাৰ্ডা পথৰ বৈৰাগড় ৰেহতাৰ এটা ফটকা কাৰখানাত সংঘটিত ভয়ংকৰ বিস্ফোৰণ আৰু অগ্নিকাণ্ডই তীব্ৰ আতংকৰ সৃষ্টি কৰে সমগ্ৰ এলেকাটোত। একাদিক্ৰমে সংঘটিত হোৱা কেইবাটাও বিস্ফোৰণত সমগ্ৰ অঞ্চলটোৱেই কঁপি উঠে। এই বিস্ফোৰণত ১১ জন লোকৰ মৃত্যু ঘটাৰ লগতে ৯০ জনৰো অধিক লোক আহত হোৱা বুলি জানিব পৰা গৈছে। জিলা প্ৰশাসন আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে এই দুৰ্ঘটনাত আৰু অধিক লোকৰ মৃত্যুৰো আশংকা ব্যক্ত কৰিছে। হৰদাৰ আশে পাশে থকা ৭ খন জিলাৰ পৰা উপস্থিত হোৱা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীৰে পিছত জুই নিৰ্বাপন কৰা হয়। ইফালে গুৰুতৰভাৱে আহত ১৭ জনক উন্নত চিকিৎসাৰ বাবে সংকটজনক অৱস্থাত ইন্দোৰ, ভুপাল আৰু নৰ্মদাপুৰলৈ প্ৰেৰণ কৰা হৈছে। অগ্নিনিৰ্বাপক বাহিনীৰ এগৰাকী বিষয়াই জানিবলৈ দিয়া মতে, এই বিস্ফোৰণৰ ফলত ওচৰৰ ৬০টাতকৈও অধিক বাসগৃহৰ ক্ষতিসাধন হয়। বিস্ফোৰণৰ ফলত কেইবাটাও মৃতদেহ উফৰি আহি পথৰ দাঁতিত পৰে। নিহত সকলক এতিয়াও চিনাক্ত কৰাটো সম্ভৱ হৈ উঠা নাই। আনহাতে, হৰদাত সংঘটিত এই ভয়ংকৰ অগ্নিকাণ্ড আৰু বিস্ফোৰণৰ পিছতে মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱে চিণ্ডৱাৰৰ তেওঁৰ চৰকাৰী কাৰ্যসূচী বাতিল কৰি তাৎক্ষণিকভাৱে এক জৰুৰী বৈঠকৰ আহ্বান জনায়। এই বৈঠকত মন্ত্ৰী উদয় প্ৰতাপ সিঙৰ লগতে জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ৰাজ্য চৰকাৰে মৃতকৰ পৰিয়াললৈ ৪ লাখ টকাকৈ আৰ্থিক ক্ষতিপূৰণ প্ৰদানৰ ঘোষণা কৰাৰ লগতে তেওঁলোকৰ সন্তানৰ শিক্ষাৰ খৰচো চৰকাৰে বহন কৰাৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। জিলা প্ৰশাসনে প্ৰকাশ কৰা মতে, এই বিস্ফোৰণ আৰু অগ্নিকাণ্ডৰ সময়ত ফটকা ফেক্টৰীটোত ৩০ জনতকৈ অধিক শ্ৰমিক কৰ্মৰত হৈ আছিল। প্ৰাথমিক তথ্য অনুসৰি, এই কাৰখানাটোৰ স্বত্বাধিকাৰীৰ নাম হৈছে ৰাজু আগৰৱালা। ইফালে হৰদাৰ এই বিস্ফোৰণক লৈ শোক প্ৰকাশ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও। প্ৰধানমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় দুৰ্যোগ পুঁজিৰ পৰা মৃতকৰ পৰিয়ালক ২ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ লগতে আহত সকলক ৫০ হাজাৰ টকাকৈ প্ৰদানৰ ঘোষণা কৰে। আহত সকলৰ শীঘ্ৰে আশু আৰোগ্যও কামনা কৰে প্ৰধানমন্ত্ৰীয়ে।

# উত্তৰাখণ্ডৰ বিধানসভাত উত্থাপন ইউচিচি বিধেয়ক




## পুত্ৰৰ সমানেই কন্যায়ো লাভ কৰিব সমান অধিকাৰ!

## বিধানসভাত জয় শ্ৰীৰাম ধ্বনি

**ডেৰাডুন, ৬ ফেব্ৰুৱাৰীঃ** বহুবিবাহ আৰু বাল্যবিবাহৰ দৰে সামাজিক ব্যাধিক সম্পূৰ্ণৰূপে নিষিদ্ধ কৰি পুত্ৰৰ সমানে কন্যাকো সমান অধিকাৰ প্ৰদান কৰাৰ লক্ষ্যৰে চলি থকা ৰাজ্যিক বিধানসভা অধিৱেশনৰ দ্বিতীয় দিনটোত বিধানসভাত ইউনিফৰ্ম চিভিল কোড বা ইউ চি চি বিধেয়ক উত্থাপন কৰে উত্তৰাখণ্ড চৰকাৰে। এই বিধেয়ক বিধানসভাৰ মজিয়াত উত্থাপন কৰি মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে কয়, 'প্ৰস্তৱিত ইউচিচি কেৱল কেৱল সকলো শ্ৰেণীৰ লোকৰ উন্নতিৰ বাবে নহয়, ইয়ে প্ৰধানমন্ত্ৰী মোদীৰ সবকা চাথ, সবকা বিকাশ আৰু এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ লক্ষ্যকো আগুৱাই লৈ যাব।' মুখ্যমন্ত্ৰী ধামীয়ে বিধানসভাৰ মজিয়াত এই বিধেয়ক উত্থাপন কৰাৰ পিছতে বিজেপিৰ বিধায়কসকলে জয় শ্ৰী ৰাম, ভাৰত মাতা কি জয় আৰু বন্দে মাতৰম শ্লোগানেৰে উত্তাল কৰি তোলে। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে বিৰোধী বিধায়কসকলেও বাবা চাহেব কি জয় শ্লোগান উত্থাপন কৰে। উল্লেখ্য যে, উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ৰঞ্জনা প্ৰকাশ দেশাইৰ নেতৃত্বত চৰকাৰে নিযুক্তি দিয়া পেনেলে কেইবাটাও পৰামৰ্শ সন্নিবিষ্ট কৰি চাৰি খণ্ডৰ ৭৪৯ পৃষ্ঠাৰ প্ৰতিবেদন প্ৰস্তুত কৰিছে। এই পেনেলে অনলাইনযোগে ২.৩৩ লাখ লিখিত মতামত সংগ্ৰহ কৰি ৭০ৰো অধিক ৰাজহুৱা মঞ্চৰ আয়োজন কৰে। এই বৈঠকসমূহৰ সময়ত পেনেলৰ সদস্যসকলে খচৰা প্ৰস্তুত কৰাত সহায় কৰিবলৈ প্ৰায় ৬০,০০০ লোকৰ সাক্ষাৎকাৰ লৈছিল। ইউচিচিৰ বহু প্ৰস্তাৱৰ ভিতৰত বহুবিবাহ আৰু বাল্যবিবাহ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা, সকলো ধৰ্মৰ ছোৱালীৰ বাবে বিবাহযোগ্য বয়সৰ মান নিৰ্ধাৰণ কৰা, বিবাহ বিচ্ছেদৰ বাবে একেধৰণৰ পদ্ধতিৰ ব্যৱস্থা কৰা হৈছে। লিংগ সমতা আৰু সামাজিক সংহতিৰ প্ৰসাৰৰ লক্ষ্যৰে এই পৰামৰ্শসমূহ বিশেষ বিধানসভা অধিৱেশনত আলোচনা কৰা হ'ব। ইফালে ইউচিচিৰ খচৰাত উত্তৰাধিকাৰীত্বৰ অধিকাৰ, বাধ্যতামূলক বিবাহ পঞ্জীয়ন আৰু ছোৱালীৰ বিবাহযোগ্য বয়স বৃদ্ধিৰ পৰামৰ্শকে ধৰি নাগৰিক জীৱনৰ বিভিন্ন দিশ সামৰি লোৱা হৈছে, যাৰ ফলত তেওঁলোকৰ বিবাহৰ পূৰ্বে শিক্ষাৰ সুবিধা লাভ কৰাটো নিশ্চিত কৰা হ'ব। ইয়াৰ উপৰিও বিবাহ পঞ্জীয়ন নকৰা দম্পতীয়ে চৰকাৰী সুবিধাৰ বাবে অযোগ্য হ'ব। যদিও খচৰাখনৰ নিৰ্দিষ্টতা জনসাধাৰণৰ বাবে এতিয়াও স্পষ্ট নহয়, তথাপিও প্ৰতিবেদন অনুসৰি ইয়াত ধৰ্মীয় সংযোগ নিৰ্বিশেষে বিবাহ, বিবাহ বিচ্ছেদ, মাটি, সম্পত্তি আৰু উত্তৰাধিকাৰ আইন সামৰি আইনী কাঠামো স্থাপন কৰা হ'ব। যদিহে এই আইন প্ৰণয়ন কৰা হয় তেন্তে পৰ্তুগীজ শাসনৰ দিনৰে পৰা চলি থকা গোৱাৰ পদাংক অনুসৰণ কৰি স্বাধীনতাৰ পিছত ইউচিচি গ্ৰহণ কৰা ভাৰতৰ প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হ'ব উত্তৰাখণ্ড। ইউচিচিৰ অন্যান্য মূল বৈশিষ্ট্যসমূহ হ'ল পুত্ৰ-কন্যাৰ সমান সম্পত্তিৰ অধিকাৰ, বৈধ আৰু অবৈধ সন্তানৰ মাজত পাৰ্থক্য দূৰ কৰা, তোলনীয়া আৰু বায়'লজিকেল সন্তানৰ সমান অধিকাৰ নিশ্চিত কৰা। কোনো ব্যক্তিৰ মৃত্যুৰ ক্ষেত্ৰত প্ৰস্তাৱিত ইউচিচিয়ে পত্নী, সন্তান আৰু পিতৃ-মাতৃৰ বাবে সমান সম্পত্তিৰ অধিকাৰ নিশ্চিত কৰিব। বিধানসভাত আজি এই বিধেয়ক উত্থাপন কৰাৰ পিছতে বিৰোধী দলপতি যশপাল আৰ্য্যই কয় যে চৰকাৰে সংখ্যাৰ ভিত্তিত নিজৰ কথা জোৰকৈ ক'বলৈ চেষ্টা কৰিছে। তেওঁ কয় যে প্ৰথমবাৰৰ বাবে বিধেয়কখন অধ্যয়ন কৰিবলৈ দিব লাগিছিল যাতে ইয়াৰ ওপৰত আলোচনা হ'ব পাৰে। তেওঁ প্ৰশ্নকাল স্থগিত ৰখা আৰু কাম স্থগিত ৰখাক পৰম্পৰা উলংঘা বুলি অভিহিত কৰে। ইয়াৰ পিছতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন বিৰোধী দলপতি প্ৰীতম সিঙে কয় যে নিয়ম উলংঘা কৰি প্ৰশ্ন ঘণ্টা পিছুৱাই দিয়া হৈছে। তেওঁ প্ৰশ্ন কৰে যে চৰকাৰে পৰম্পৰাক আওকাণ কৰি থকাটো কি? ইউ চি চি সন্দৰ্ভত আলোচনাৰ দাবী জনাই তেওঁ শংকা প্ৰকাশ কৰে যে চৰকাৰে আজি নিজেই ইয়াক গৃহীত কৰিব বিচাৰিছে।

শেষ পৃষ্ঠা

# ভাৰত ফাইনেলত

**বেননী, ৬ ফেব্রুৱাৰীঃ** ভাৰতে একেৰাহে পঞ্চম বাৰৰ বাবে ১৯ বছৰ অনুৰ্দ্ধ বিশ্বকাপ ক্ৰিকেটৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত আয়োজক দক্ষিণ আফ্ৰিকাক দুই উইকেটত পৰাস্ত কৰে ভাৰতে। অধিনায়ক উদয় চাহাৰান আৰু শচীন দাসৰ মাজত পঞ্চম উইকেটত হোৱা ১৭১ ৰানৰ যুটিটোৱে ভাৰতক জয়ী কৰায়। দক্ষিণ আফ্ৰিকাই বান্ধি দিয়া ২৪৫ ৰানৰ লক্ষ্য অনুসৰণ কৰি মাত্ৰ ৩২ ৰানত চাৰিটা উইকেট হেৰুৱাই বিপদত পৰিছিল ডিফেণ্ডিং চেম্পিয়ন ভাৰত। তেতিয়া অধিনায়ক উদয়ৰ লগ লাগে শচীন। দুয়ো সুন্দৰকৈ ইনিংছ আগুৱাই নিয়ে। দলীয় স্ক'ৰ ২০৩ ৰানত ব্যক্তিগতভাৱে ৯৬ ৰান কৰি আউট হয় শচীন। জয়ৰ বাবে এক ৰন লগা অৱস্থাত ৰান আউট হয় উদয়। মেছৰ শ্ৰেষ্ঠ বিবেচিত হোৱা উদয়ৰ বেটৰ পৰা আহে ৮১ ৰান। আয়োজক দলটোৰ হৈ ক্লোনা মাফাকে আৰু ট্ৰিষ্টান লোছে তিনিটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি লেনড্ৰী প্ৰিট'ৰিয়াছৰ ৭৬ আৰু ৰিচাৰ্ড ছিলেটছৱানেৰ ৬৪ ৰানৰ সহায়ত নিৰ্দ্ধাৰিত পঞ্চাছ অভাৰত সাত উইকেটত ২৪৪ ৰান কৰে দক্ষিণ আফ্ৰিকাই। প্ৰত্যুত্তৰত ভাৰতে ৪৯ অভাৰত আঠ উইকেট হেৰুৱাই ২৪৮ ৰান সংগ্ৰহ কৰি একেৰাহে পঞ্চম বাৰৰ বাবে আই চি চি অনুৰ্দ্ধ-১৯ বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰে।

# নিউয়ৰ্কত হ'ব ফাইনেল

**নিউয়ৰ্ক, ৬ ফেব্রুৱাৰীঃ** মেক্সিকোত আৰম্ভহৈ আমেৰিকাত সামৰণি পৰিব ২০২৬ চনৰ বিশ্বকাপ ফুটবল। এইবাৰ বিশ্বকাপ ফুটবল হ'ব ৪৮ টা দলৰ মাজত। আমেৰিকা যুক্তৰাষ্ট্ৰৰ, কানাডা আৰু মেক্সিকোই যৌথভাৱে আয়োজন কৰিছে ২০২৬ ৰ বিশ্বকাপ। ফিফাই প্ৰকাশ কৰা মতে ২০২৬ চনৰ ১১ জুনত মেক্সিকো চিটিৰ আজটেকা ষ্টেডিয়ামত হ'ব উদ্বোধনী খেল। ফাইনেল খেলখন হ'ব নিউয়ৰ্কৰ মেটলাইফ ষ্টেডিয়ামত।



আমেৰিকাৰ লছ এঞ্জেলছত চীনা শিল্পীৰ দলৰ পৰম্পৰাগত নৃত্য প্ৰদৰ্শন

# এটা ৰাজহাঁহে পোন্ধৰ মিনিটৰ বাবে ৰখালে ৰে'ল

**অনলাইন ফিচাৰ্ছ, ৬ ফেব্রুৱাৰী:** এটা ৰাজহাঁহে ১৫ মিনিট ধৰি ৰখাই থলে এখন যাত্ৰীবাহী ৰে'ল। আচৰিত যেন লাগিলেও এনে এক ঘটনাৰ এটা ভিডিঅ'ই এতিয়া আকৰ্ষণ কৰিছে নেটিজেনৰ দৃষ্টি। ৰে'লৰেৰ ট্ৰেকত বিচৰণ কৰি থকা এটা ৰাজহাঁহৰ বাবে ১৫ মিনিট সময় ৰে'লখন ৰখাই থয় ৰে'ল চালকে। এই ঘটনা সংঘটিত হৈছে লণ্ডনত। ইনষ্টাগ্ৰামত এগৰাকী ব্যৱহাৰকাৰীয়ে শ্বেয়াৰ কৰা এই ঘটনাৰ ভিডিঅ'টোত উল্লেখ কৰা অনুসৰি, লণ্ডনৰ উপকণ্ঠ অঞ্চলৰ ষ্টৰ্টফোৰ্ড ষ্টেছনত এই ঘটনাটো সংঘটিত হয়। এটা বগা ৰঙৰ ৰাজহাঁহে নিজৰ মাজতে বিভোৰ হৈ ৰে'লৰে ট্ৰেকৰ ওপৰতে মুক্তমনে বিচৰণ কৰি ফুৰে। যাৰ বাবে যাত্ৰীবাহী ৰে'লখনো ৰখাই থোৱা হয়। পিছত হাঁহজনীয়ে সেই স্থানৰ পৰা উৰি যোৱাৰ পিছতহে পুনৰ ৰে'লখনে যাত্ৰা আৰম্ভ কৰে। ৰে'লৰে ষ্টেচনটোত সেই সময়ত উপস্থিত থকা কোনো ব্যক্তিয়ে এই দৃশ্য কেমেৰাত বন্দী কৰি ছ'চিয়েল মিডিয়াত এৰি দিয়াৰ পিছতে এতিয়া ব্যাপকভাৱে ভাইৰেল হৈ পৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান